# Telephone conversation between Prime Minister and H.E. Filipe Jacinto Nyusi, President of Mozambique

June 03, 2020

---

# প্ৰধানমন্ত্ৰী আৰু মোজাম্বিকৰ ৰাষ্ট্ৰপতি মহামান্য ফিলিপি জেকিণ্টো নিউছীৰ মাজত টেলিফোন যোগে বাৰ্তালাপ

জুন 03, 2020

প্ৰধানমন্ত্ৰীয়ে আজি মোজাম্বিকৰ ৰাষ্ট্ৰপতি মহামান্য ফিলিপি জেকিণ্টো নিউছীৰ সৈতে টেলিফোন যোগে বাৰ্তালাপ কৰে।

দুয়োগৰাকী নেতাই বিদ্যমান ক’ভিড–19 মহামাৰীৰ ফলত সৃষ্টি হোৱা প্ৰত্যাহ্বানসমূহৰ বিষয়ে আলোচনা কৰে। প্ৰধানমন্ত্ৰীয়ে এই স্বাস্থ্য সংকটৰ সময়ছোৱাত মোজাম্বিকলৈ অত্যাৱশ্যকীয় ঔষধপাতি আৰু সা–সঁজুলি যোগানকে ধৰি অন্যান্য সাহাৰ্য প্ৰদান কৰাৰ আশ্বাস দিয়ে। ৰাষ্ট্ৰপতি নিউছীয়ে দুয়োখন দেশৰ মাজত স্বাস্থ্যসেৱা আৰু ফাৰ্মাছিউটিকেল যোগানৰ ক্ষেত্ৰত দুয়োখন দেশৰ মাজত ঘনিষ্ঠ সহযোগিতাৰ কাৰণে ধন্যবাদ জ্ঞাপন কৰে।

দুয়োগৰাকী নেতাই মোজাম্বিকত ভাৰতৰ উন্নয়ন প্ৰকল্প আৰু বিনিয়োগকে ধৰি বিভিন্ন গুৰুত্বপূৰ্ণ বিষয়সমূহৰ ওপৰত আলোচনা কৰে। প্ৰধানমন্ত্ৰীয়ে মোজাম্বিকক আফ্ৰিকাৰ সৈতে ভাৰতৰ আংশীদাৰিত্বৰ এক গুৰুত্বপূৰ্ণ স্তম্ভ হিচাপে স্বীকৃতি দি কয় যে মোজাম্বিকৰ কয়লা আৰু প্ৰাকৃতিক গেছ খণ্ডৰ প্ৰতি ভাৰতীয় কোম্পানীৰ বৃহত্ দায়বদ্ধতা আছে।

নেতা দুগৰাকীয়ে প্ৰতিৰক্ষা আৰু সুৰক্ষাৰ ক্ষেত্ৰত ক্ৰমবৰ্দ্ধমান দ্বিপাক্ষিক সহযোগিতাক লৈ সন্তোষ্টি প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীয়ে উত্তৰ মোজাম্বিকৰ সন্ত্ৰাসবাদৰ ঘটনা সম্পৰ্কে ৰাষ্ট্ৰপতি নিউছীৰ উদ্বেগক গুৰুত্ব সহকাৰে অনুধাৱন কৰি মোজাম্বিকত পুলিছ আৰু নিৰাপত্তা বাহিনীৰ সক্ষমতা বৃদ্ধি সহ সকলোধৰণৰ সাম্ভাৱ্য সহায়ৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে।

প্ৰধানমন্ত্ৰীয়ে মোজাম্বিকত থকা ভাৰতীয় আৰু ভাৰতীয় মূলৰ নাগৰিকসকলৰ সুৰক্ষা আৰু নিৰাপত্তা নিশ্চিত কৰাৰ কাৰণে মোজাম্বিক প্ৰশাসনক বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰে।

সাম্প্ৰতিক মহামাৰীৰ সময়ছোৱাত দুয়োখন দেশৰ বিষয়াসকলে পৰস্পৰৰ মাজত সহযোগিতা আৰু সহায়ৰ ক্ষেত্ৰত যোগাযোগ ৰাখিব বুলি দুয়োগৰাকী নেতাই সহমত পোষণ কৰে।

**নতুন দিল্লী**
**জুন 03, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release.